# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-04-2026
**Time :** 1910 hrs

## *Assamese Evening Bulletin*

# HEADLINES

১। অসমৰ লগতে কেৰালাম আৰু পুডুচেৰীত কাইলৈ পুৱা ৭ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২। কেন্দ্ৰীয় কেবিনেটে ২০২৬ চনৰ খাৰিফ ঋতুৰ বাবে ফছফেট আৰু পটাচযুক্ত সাৰৰ ক্ষেত্ৰত ৪১ হাজাৰ ৫৩৪ কোটি টকাৰ ৰাজসাহায্যত অনুমোদন জনাইছে।

৩। অৰুণাচল প্ৰদেশত ২৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে শীঘ্ৰেই কমলা জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব।

৪। সমগ্ৰ দেশৰ খনি আৰু শক্তি প্ৰকল্পসমূহত পৰ্যাপ্ত কয়লা মজুত আছে বুলি চৰকাৰে স্পষ্ট কৰি দিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু গুজৰাট টাইটানছ মুখামুখি হ'ব।

ooooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

শ্ৰীগোৱেলে কয়, যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু দিব্যাংগসকলৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন উদ্যোগ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলাই জিলাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে জনসাধাৰণক নিৰ্ভয়ে ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

ooooo

কেৰালাম আৰু পুডুচেৰীত কাইলৈ পুৱা ৭ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। কেৰালামৰ ১৪০ টা সমষ্টিৰ ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০ টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। পুডুচেৰীৰ ৩০ টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয় শাসিত অঞ্চলটোত ভোটদানৰ সুযোগ লাভ কৰিছে আৰু ইয়াৰে ২৪ হাজাৰ ৯১৯ গৰাকী প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে।

০০০০০

কেন্দ্ৰীয় কেবিনেটে ২০২৬ চনৰ খাৰিফ ঋতুৰ বাবে ফছ্‌ফেট আৰু পটাচযুক্ত সাৰৰ ক্ষেত্ৰত ৪১ হাজাৰ ৫৩৪ কোটি টকাৰ ৰাজসাহায্যত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ অন্তত নতুন দিল্লীত আয়োজিত এখন সংবাদ মেলত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই ৰাজসাহায্যই কৃষকসকলৰ বাবে সুলভ মূল্যত সাৰ যোগান ধৰাটো নিশ্চিত কৰিব। বিগত বৰ্ষৰ খাৰিফ ঋতুৰ তুলনাত এইবাৰ ৪ হাজাৰ ৩১৭ কোটি টকাতকৈও অধিক ৰাজসাহায্য প্ৰদান কৰা হৈছে বুলিও তেওঁ সংবাদমেলত উল্লেখ কৰে। তেওঁ লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় বজাৰত সাৰৰ মূল্যৰ শেহতীয়া মূল্যৰ ওপৰত ভিত্তি কৰি চৰকাৰে ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্তেম্বৰলৈ কাৰ্যকৰী হোৱাকৈ ৰাজসাহায্যৰ এই নতুন নিৰিখ নিৰ্ধাৰণ কৰিছে।

কেন্দ্ৰীয় কেবিনেটে অৰুণাচল প্ৰদেশত ২৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কমলা জলবিদ্যুৎ প্ৰকল্পত অনুমোদন জনাইছে। এই প্ৰকল্পটো সম্পূৰ্ণ হ'বলৈ প্ৰায় আঠ বছৰৰ প্ৰয়োজন হ'ব। এই প্ৰকল্পৰ পৰা উৎপাদিত বিদ্যুতে অৰুণাচল প্ৰদেশৰ বিদ্যুৎ যোগান ব্যৱস্থা শক্তিশালী কৰাৰ লগতে ৰাষ্ট্ৰীয় গ্ৰীডৰ ভাৰসাম্য ৰক্ষাত সহায় কৰিব।

ইফালে, জয়পুৰৰ প্ৰহ্লাদপুৰৰ পৰা টড়ি ম'ডলৈ নিৰ্মাণ হৈ থকা মেট্ৰ' প্ৰকল্পৰ দ্বিতীয় পৰ্যায়তো কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনায়। কেন্দ্ৰীয় মন্ত্ৰী বৈষ্ণৱে জনোৱা মতে এই প্ৰকল্পত ৩৬টা ষ্টেচন থাকিব আৰু ইয়াৰ বাবে ১৩ হাজাৰ কোটিতকৈ অধিক টকা দিয়া হ'ব।

০০০০০

সমগ্ৰ দেশৰ খনি আৰু শক্তি প্ৰকল্পসমূহত পৰ্যাপ্ত কয়লা মজুত আছে বুলি চৰকাৰে স্পষ্ট কৰি দিছে। পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ এখন সংবাদ মেলত কয়লা মন্ত্ৰালয়ৰ যুটীয়া সচিব সঞ্জীৱ কুমাৰ কাছিয়ে কয় যে পশ্চিম এছিয়াৰ যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতো কয়লাৰ মূল্য বৃদ্ধি হোৱা নাই আৰু শক্তিপ্ৰকল্পসমূহৰ বাবে পৰ্যাপ্ত কয়লা মজুত ৰখা হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই সংবাদমেলখনত কয় যে দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত থকাৰ লগতে এইসমূহৰ যোগান সম্পূৰ্ণ স্বাভাৱিক হৈ আছে। তেওঁ লগতে কয় যে ঘৰুৱা উপভোক্তাসকলক অগ্ৰাধিকাৰ-ভিত্তিত ১০০ শতাংশ ৰন্ধন গেছৰ যোগান নিশ্চিত কৰা হৈছে। আনহাতে, বাণিজ্যিক ৰন্ধন গেছৰ যোগান নিয়ন্ত্ৰণ কৰা হৈছে বুলিও সুজাতা শৰ্মাই উল্লেখ কৰে। তেওঁ জনোৱা মতে চৰকাৰে পাইপযোগে প্ৰাকৃতিক গেছ প্ৰদানৰ বাবে ঘৰে ঘৰে সংযোগ প্ৰক্ৰিয়া সম্প্ৰসাৰণ কৰাৰ লগতে বাণিজ্যিক ৰন্ধন গেছৰ যোগানো বৃদ্ধি কৰিছে। আনহাতে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰতে আমেৰিকা আৰু ইৰানৰ যুদ্ধবিৰতিক আদৰণি জনাইছে। মন্ত্ৰালয়ে আশা প্ৰকাশ কৰে যে এই পদক্ষেপে পশ্চিম এছিয়াত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ লগতে গোলকীয় বাণিজ্য আৰু জাহাজ চলাচল এতিয়াৰে পৰা সুচল হ'ব। ভাৰতে শান্তি আৰু সুস্থিৰতাৰ বাবে গ্ৰহণ কৰা

যিকোনো পদক্ষেপক সমৰ্থন কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে এই ইতিবাচক পৰিৱৰ্তনে ইউক্ৰেইনৰ শান্তি প্ৰক্ৰিয়াতো সহায় কৰিব।

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুকেশ মংগলে জনোৱা মতে দেশৰ বন্দৰসমূহৰ কাম-কাজ সম্পূৰ্ণ স্বাভাৱিকভাৱে চলি আছে আৰু ক'তো মালবাহী জাহাজৰ অস্বাভাৱিক ভিৰ পৰিলক্ষিত হোৱা নাই। তেওঁ লগতে কয় যে মন্ত্ৰালয়ৰ তৎপৰতাত উপসাগৰীয় দেশসমূহৰ পৰা ৭০০তকৈও অধিক ভাৰতীয় নাবিকক দেশলৈ ওভতাই অনা হৈছে।

ooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত আজি নতুন দিল্লীত মন্ত্ৰীগোটৰ তৃতীয়খন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজনাথ সিঙে কয় যে বৈঠকত পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি আৰু ইয়াৰ ফলত দেশত পৰিব পৰা প্ৰভাৱ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বাৰ্তাটোত তেওঁ লগতে উল্লেখ কৰে যে যুদ্ধসদৃশ পৰিস্থিতিৰ ফলত দেশত উদ্ভৱ হোৱা সমস্যাসমূহ কেনেদৰে সমাধান কৰিব পৰা সেই সন্দৰ্ভতো আলোচনা কৰা হয়। দেশত ৰন্ধন গেছ, পেট্ৰ'ল, ডিজেল আৰু সাৰৰ লগতে অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী যোগান অব্যাহত ৰাখিবলৈ চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ নাগৰিকসকলক সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰে সক্ৰিয়ভাৱে কাম কৰি আছে।

ooooo

দেশে আজি প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ ১১ বছৰ পূৰ্তি উদযাপন কৰিছে। এই অভিলাষী আঁচনি ২০১৫ চনৰ ৮ এপ্ৰিলত মুকলি কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ এই অন্যতম ধবজাবাহক আঁচনিখনৰ জৰিয়তে পুঁজিৰ পৰা বঞ্চিত ক্ষুদ্ৰ প্ৰতিষ্ঠান আৰু সৰু ব্যৱসায়ক পুঁজি যোগানৰ লক্ষ্য লোৱা হৈছে। ঋণ লাভৰ জটিল প্ৰক্ৰিয়াক সহজ প্ৰক্ৰিয়ালৈ পৰিণত কৰা মুদ্ৰা যোজনাই তৃণমূল পৰ্যায়ৰ উদ্যমিতাৰ ক্ষেত্ৰত নতুন যুগৰ ভিত্তি স্থাপন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে যুৱক-যুৱতীসকলৰ আত্মনিৰ্ভৰতাক উৎসাহিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা অত্যন্ত ফলদায়ক হিচাপে প্ৰমাণিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে উল্লেখ কৰে যে এজন লোকক সঠিক সা-সুবিধাৰ যোগান ধৰিলে তেওঁ যে আত্মনিৰ্ভৰ হ'ব পাৰে আৰু দেশৰ প্ৰগতিৰে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে, সেয়া মুদ্ৰা যোজনাৰ সাফল্যই প্ৰমাণ কৰি দেখুৱাইছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি বিয়লি নতুন দিল্লীত বাংলাদেশৰ বৈদেশিক মন্ত্ৰী খলিলুৰ ৰহমানক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে বৈঠকৰ সময়ত তেওঁলোকে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষভাৱে আলোচনা কৰে। তেওঁ লগতে কয় যে আঞ্চলিক আৰু গোলকীয় উন্নয়নৰ ক্ষেত্ৰত দুয়োখন দেশৰ দৃষ্টিভংগীক লৈও আলোচনা কৰা হয়। তদুপৰি এই দুয়োটা বিষয়তে দেশ দুখনে পাৰস্পৰিক সম্পৰ্ক অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি গুজৰাট টাইটানছ, দেলহি কেপিটেলছৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। কালি অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ২৭ ৰাণত পৰাস্ত কৰে। গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত খেলখন বৰষুণৰ বিধিপথালিৰ বাবে ১১ অ'ভাৰলৈ হ্ৰাস কৰা হৈছিল।

ooooo

**সমাপ্ত**